**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-01-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ তিৰুৱনন্তপুৰামত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। নেতাজী সুভাষ চন্দ্ৰ বসুৰ জয়ন্তীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানী আৰু ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংকৰ মজুৰি সংশোধনত অনুমোদন দিছে।

৪। ভাৰত আৰু ইউৰোপীয় সংঘই পৰিবহন ব্যৱস্থা অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত সহমতত উপনীত হৈছে।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ তিৰুৱনন্থপুৰমত ভালেমান উন্নয়নমূলক প্ৰকল্পৰ মুকলি কৰাৰ লগতে নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ১ লাখ হিতাধিকাৰীক পিএম স্বনিধি ক্ৰেডিট কাৰ্ড আৰু পিএম স্বনিধি ঋণ বিতৰণ কাৰ্যসূচী মুকলি কৰে। শ্ৰীমোদীয়ে লগতে তিনিখন অমৃত ভাৰত এক্সপ্ৰেছ আৰু এখন যাত্ৰীবাহী ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। তেওঁ লগতে CSIR-NIIST ৰ উদ্ভাৱন প্ৰযুক্তি আৰু উদ্যমিতা হাবৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে শ্ৰী চিত্ৰা টিৰুনেল চিকিৎসা বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ ৰেডিঅ' চাৰ্জাৰী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নতুন পূজাপুৰা মুখ্য ডাকঘৰ মুকলি কৰে। অনুষ্ঠানত জনসভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে বিকশিত ভাৰতৰ লক্ষ্যৰে চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে আৰু বৃহৎ মহানগৰসমূহত বিকশিত ভাৰতৰ স্বৰূপ প্ৰতিফলিত হৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে বিগত ১১ বছৰত চহৰৰ আন্তঃগাঁথনি বিকশাই তোলাৰ বাবে ভালেমান পুঁজি বিনিয়োগ কৰিছে।

০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ আজি ১২৯ সংখ্যক জন্মবাৰ্ষিকী। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰপতি ভৱনত নেতাজী সুভাষ চন্দ্ৰ বসুক তেওঁৰ জয়ন্তী উপলক্ষ্যে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে সমগ্ৰ দেশতে এই দিনটো পৰাক্ৰম দিৱস হিচাপে পালন কৰা হয়।

পশ্চিমবংগৰ জনসাধাৰণে কিম্বদন্তী স্বাধীনতা সংগ্ৰামী গৰাকীক আজি শ্ৰদ্ধা আৰু ভক্তিৰে স্মৰণ কৰে। এই উপলক্ষ্য সমগ্ৰ ৰাজ্যখনতে বিভিন্ন কাৰ্যসূচী পালন কৰা হৈছে। সন্ধিয়া কলকাতাৰ ভিক্টোৰিয়া মেম'ৰিয়েল প্ৰাংগণত এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত উপৰাষ্ট্ৰপাতি চি পি ৰাধাকৃষ্ণণ আৰু পশ্চিমবংগৰ ৰাজ্যপাল ড০ চি ভি আনন্দ বসুৰে অংশগ্ৰহণ কৰিব। পৰাক্ৰম দিৱসৰ লগত সংগতি ৰাখি নেতাজী সুভাষ চন্দ্ৰ বসু আৰু স্বাধীনতা সংগ্ৰামক চিত্ৰিত কৰি লাইট এণ্ড চাউণ্ড শ্ব' আয়োজন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানী আৰু ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ মজুৰি সংশোধনত অনুমোদন দিছে। চৰকাৰে লগতে ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু নাবাৰ্ডৰ অৱসৰপ্ৰাপ্ত কমচাৰ্ীৰ পেন্সনৰ

সংশোধনতো অনুমোদন জনাইছে। বিত্ত মন্ত্ৰালয়ে আজি জানিবলৈ দিছে যে ইয়াৰ ফলত ৪৪ হাজাৰ ৩২২গৰাকী কৰ্মচাৰী, ২৩ হাজাৰ ৫৭০ গৰাকী পেঞ্চনাৰ আৰু ২৩ হাজাৰ ২৬০টা পেঞ্চনভোগী পৰিয়াল উপকৃত হ'ব। বৰ্দ্ধিত মূল্যবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে ২০২২ চনৰ ১ আগষ্টৰ পৰা ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানীৰ কৰ্মচাৰীসকলৰ এই সংশোধন কাৰ্যকৰী হ'ব। ইয়াৰ ফলত ১৪ শতাংশ মূল বেতন আৰু মৰগীয়া বানচ বৃদ্ধিসহ কৰ্মচাৰীসকলৰ ১২ দশমিক ৪-১ শতাংশ মজুৰি বৃদ্ধি হ'ব। নাবাৰ্ড আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কৰ্মচাৰীসকলৰ সংশোধন ২০২২ চনৰ ১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হ'ব। মন্ত্ৰালয়ে লগতে অৱগত কৰিছে যে নাবাৰ্ডৰ **এ, বি** আৰু **চি** গ্ৰেডৰ কৰ্মচাৰীসকলৰ প্ৰায় ২০ শতাংশ সংশোধন হ'ব আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পেঞ্চনাৰসকলৰ পেঞ্চন ১০ শতাংশ বৃদ্ধি হ'ব।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নেতাজী সুভাষ চন্দ্ৰ বসুৰ জয়ন্তী উপলক্ষ্যে পালন কৰা পৰাক্ৰম দিৱসত ভাগ লোৱাৰ উদ্দেশ্যে এদিনীয়া ভ্ৰমণসূচী লৈ ওড়িশাত উপস্থিত হয়। ওড়িশাৰ ৰাজ্যপাল ড০ হৰি বাবু কম্ভমপাতি মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু আন আন বিশিষ্ট বৃদ্ধিসকলে ৰাজ্যখনৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত প্ৰথমবাৰ ওড়িশা ভ্ৰমণলৈ যোৱা উপৰাষ্ট্ৰপতি গৰাকীক আদৰণি জনায়। উপৰাষ্ট্ৰপিত ৰাধাকৃষ্ণণে নেতাজী সুভাস চন্দ্ৰ বসুৰ জন্ম স্থান কটকৰ পানকীনাথ ভৱনো পৰিদৰ্শন কৰিব। তেওঁ কটকৰ নেতাজী জন্মভূমি সংগ্ৰাহলয় প্ৰাংগণৰ সমীপত নৱনিৰ্মিত জিলা সাংস্কৃতিক ভৱনো মুকলি কৰিব। উপৰষ্ট্ৰপতি গৰাকীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত কেইবাতৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বালাচাহেব থাক্‌ৰেৰ জয়ন্তীৰ শতবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে মহাৰাষ্ট্ৰৰ সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট উল্লেখযোগ্যভাৱে সলনি কৰা থাক্‌ৰে এগৰাকী শীৰ্ষ পৰ্যায়ৰ ব্যক্তি বুলি উল্লেখ কৰে।

ooooo

ভাৰত আৰু ইউৰোপীয় সংঘই পৰিবহন ব্যৱস্থা অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত সহমতত উপনীত হৈছে। ডাভোছত বিশ্ব অৰ্থনৈতিক মঞ্চত ভাগ লোৱাৰ সুযোগতে ভাৰতৰ অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে. ৰামমোহন নাইডুৱে ইউৰোপীয় সংঘৰ পৰিবহন আয়ুক্ত এপ'ষ্টল'ছ টিট্‌জিকোষ্টাছৰ সৈতে মিলিত হয়। বৈঠকত বহনক্ষম বিমান ইন্ধন, পৰিবেশ অনুকূল যাতায়ত আৰু সেউজ বিমান যাতায়তৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত তেওঁলোকে বহনক্ষমতা, উদ্ভাৱন আৰু পৰিবেশ অনুকূল যাতায়ত ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত সবিশেষ আলোচনা কৰে। দুয়ো পক্ষই ইউৰোপীয় সংঘৰ বিমান সুৰিক্ষা সংস্থা আৰু অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ৰ মাজত সহযোগিতা সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে সহযোগিতা যুটীয়া প্ৰামাণিকৰণ, চাইবাৰ সুৰক্ষা আৰু ড্ৰোণৰ নিয়ন্ত্ৰণৰ ওপৰত কাম কৰিব পাৰে। অসামৰিক বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিছে যে তেওঁলোকে লগতে যুটীয়া কাৰ্যকৰী গোট আৰু প্ৰযুক্তি আধাৰিত কাৰ্যসূচী ৰূপায়ণৰ দৰে নতুন পদক্ষেপ গ্ৰহণ কৰিছে। দুয়োগৰাকী নেতাই লগতে ইউৰোপীয় সংঘ আৰু ভাৰতৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰি গোলকীয় সেউজ বিমান যাতায়তৰ পদক্ষেপ বৃদ্ধি কৰাৰ ওপৰত সবিশেষ আলোচনা কৰে।

ooooo

ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ভাৰতে ১৮ মাহৰ ভিতৰত নিজা মোবাইল ব্ৰেণ্ড মুকলি কৰাৰ আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে ডাভোছৰ বিশ্ব অৰ্থনৈতিক মঞ্চত ভাগ লোৱাৰ সময়ত সংবাদ মাধ্যমৰ আগত এই কথা অৱোগত কৰে। শ্ৰীবৈষ্ণৱে লগতে কয় যে ভাৰত অতি সন্তোষজনকভাৱে ইলেকট্ৰনিকছৰ সা-সৰঞ্জাম বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে আৰু অচিৰেই দেশখনে নিজা মোবাইল ফোনৰ ব্ৰেণ্ড লাভ কৰিবলৈ সক্ষম হ'ব। তেওঁ জানিবলৈ দিয়ে যে মোবাইল ফোনৰ বাবে যাৱতীয় ভালেমান সামগ্ৰী ভাৰতে উল্লেখযোগ্যভাৱে নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে।

ooooo

দেশৰ সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি মিজো ভাষাক অন্তৰ্ভুক্ত কৰাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰা হৈছে। মিজোৰাম চৰকাৰে গঠন কৰি দিয়া মিজো ভাষা উন্নয়ন পৰিষদে এই পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী লালডুহোমাৰ

অধ্যক্ষতাত মিজো ভাষা উন্নয়ন পৰিষদৰ অষ্টমটো অধ্যয়নে গোটে কালি এই সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ অগ্ৰগতি সম্পৰ্কে সবিশেষ বুজ লয়। অচিৰেই এই সন্দৰ্ভত সবিশেষ প্ৰতিবেদন দাখিল কৰা হ'ব।

ooooo

ছিকিম আৰক্ষীক অসাধাৰণ সেৱা আৰু পেছাদাৰিত্বৰ বাবে ৰাষ্ট্ৰপতিৰ **পুলিচ কালাৰ** বঁটা আগবঢ়োৱা হৈছে। **নিচান** নামেৰে পৰিচিত এই বঁটা হৈছে সাহস, অনুশাসন তথা নিষ্ঠাৰ প্ৰতীক আৰু ইয়াক আৰক্ষীৰ পোছাকৰ বাঁওহাতত গৌৰৱেৰে পৰিধান কৰা হয়। উল্লেখযোগ্য যে স্বাধীনতাৰ পাছত মাত্ৰ ১৪খন ৰাজ্যহে এই সন্মানীয় বঁটা লাভ কৰিছে। সামগ্ৰিকভাৱে এই বঁটা লাভ কৰা ছিকিম দেশৰ পঞ্চদশ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হৈছে। ছিকিম আৰক্ষীক আনুষ্ঠিকভাৱে পাছত এই নিচান প্ৰদান কৰা হব।

ooooo

মেঘালয় চৰকাৰে ২০২৬ বৰ্ষৰ দ্বিতীয় সপ্তাহৰ ভিতৰত পূব আৰু পশ্চিম ৰেঞ্জত ৩ হাজাৰৰো অধিক আৰক্ষী জোৱানৰ নিযুক্তি সম্পূৰ্ণ কৰিবলৈ সাজু হৈছে। ৰাজ্যখনৰ আৰক্ষীৰ ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে শ্বিলং আৰু তুৰাত এই বৃহৎ নিযুক্তি সমাবেশ অনুষ্ঠিত কৰা হৈছে। নিযুক্তি প্ৰক্ৰিয়াৰ সকলো কাৰ্যাৱলী সুচাৰুৰূপে চলাই থকা হৈছে বুলি গৃহ বিভাগৰ আয়ুক্ত তথা সচিব ছাইৰিল ভি ডাৰলং ডিয়েঙদহে জানিবলৈ দিছে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰত শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত সম্প্ৰতি ১-০ ত আগবাঢ়ি আছে।

ooooo

ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ইণ্ডোনেছিয়া মাষ্টাৰ্চ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেনে কালি পুৰুষৰ ছিংগলছ্ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ জেছন গুণাৱানক ২১-১০, ২১-১১ পোনপটীয়া গেমত পৰাভূত কৰে। লক্ষ্য সেন আজি কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ পানিট্‌ছাফোন তিৰাৰাত্‌চাকুলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পি ভি সিন্ধুৱে কালি মহিলাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ হোজমাৰ্ক কেজেৰফেলড্‌টক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। সিন্ধু আজি কোৱাৰ্টাৰ ফাইনেলত চীনৰ চেন য়ু ফেইৰ সন্মুখীন হ'ব।

বিশ্বৰ পূৰ্বৰ এক নম্বৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্ত আৰু হৰিহৰণ আমচাকাৰুনান আৰু এম আৰ অৰ্জুনৰ যুটীটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

সমাপ্ত